Jawaharlal Nehru College Library
Estd.-1964
Boko, Dist. Kamrup

# 2023

# ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–5036

( শংকৰদেৱ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) শংকৰদেৱে সংস্কৃত ভাষাত ৰচনা কৰা গ্ৰন্থখনৰ নাম কি ?

(খ) শংকৰদেৱে তেওঁৰ পূৰ্বসুৰী কোনজন কবিক অপ্ৰমাদী আখ্যা দিছিল ?

(গ) শংকৰদেৱে কিমান বৰগীত ৰচনা কৰা বুলি চৰিত পুথিত উল্লেখ আছে ?

(ঘ) 'শাৰংগপাণি পাহে পামৰমতি ...' বৰগীতটিত উল্লেখ থকা 'নিৰয়' শব্দটোৰ অৰ্থ লিখা।

(ঙ) শংকৰদেৱে 'গজেন্দ্ৰ উপাখ্যান' কোন স্থানত থাকোঁতে ৰচনা কৰিছিল?

(চ) "যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভত আছে॥"

যশোদাই সমস্ত জগত ক'ত দেখা পাইছিল?

(ছ) শংকৰদেৱৰ কোনখন নাটকক নাট্যধৰ্মত শ্ৰেষ্ঠ বুলিব পাৰি?

(জ) নাৰদে নিয়া ফুলপাহ শ্ৰীকৃষ্ণই কাৰ খোপাত পিন্ধাই দিছিল?

(ঝ) হৰিশ্চন্দ্ৰ ৰজাই কৰা যজ্ঞত পুৰোহিত কোন আছিল?

(ঞ) হৰিশ্চন্দ্ৰ ৰজাৰ পুত্ৰৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) বৈষ্ণৱ ধৰ্মৰ চাৰিপুথি কি কি?

(খ) শংকৰদেৱৰ প্ৰথম আৰু শেষ ৰচনা কি কি?

(গ) 'কীৰ্ত্তন-ঘোষা'ৰ শিশুলীলা অধ্যায়ত উল্লেখ থকা কৃষ্ণৰ দ্বাৰা নিধন হোৱা দুটা অসুৰৰ নাম লিখা।

(ঘ) "হস্তিনী সমে কৰে জলক্ৰীড়া।
খণ্ডিল সমস্তে ৰৌদ্ৰৰ পীড়া॥"

কোনে, ক'ত জলক্ৰীড়া কৰিছিল, লিখা।

(ঙ) নৰকাসুৰৰ মাতৃ কোন আছিল? তেওঁ কাক লগত লৈ কৃষ্ণৰ ওচৰত উপস্থিত হৈছিল?





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া বৈষ্ণৱ সাহিত্যৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা।

(খ) কি কি কাৰণত শংকৰদেৱে নাট আৰু গীতত ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰিছিল?

(গ) কৃষ্ণৰে সৈতে গোপবালকসকল কেনেকৈ অঘাসুৰৰ পেটলৈ গৈছিল? তাৰ পৰিণতি কি হ'ল, আলোচনা কৰা।

(ঘ) বিষয় অনুসৰি বৰগীতবোৰক কি কি ভাগত ভাগ কৰিব পাৰি? যি কোনো এটা ভাগৰ বিষয়ে আলোচনা কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটত নাৰদ চৰিত্ৰটো কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(চ) বিঘ্নিদাতা বুলি কোনজন দেৱতাক কোৱা হয়? হৰিশ্চন্দ্ৰ ৰজাই যজ্ঞত তেওঁক কিয় পূজা কৰা নাছিল? তাৰ পৰিণতি কি হ'ল, চমুকৈ লিখা।

৪। " 'কীৰ্ত্তন-ঘোষা' মহাপুৰুষৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন, বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ।" এই উক্তিৰ আধাৰত 'কীৰ্ত্তন-ঘোষা'ৰ এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে এটি নাতিদীৰ্ঘ নিবন্ধ লিখা।

৫। 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটিৰ ভাবাৰ্থ লিখি কাব্যিক সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰা। ৫+৫=১০

*অথবা*

গজেন্দ্ৰক গ্ৰাহে ধৰোঁতে ভগৱানক কেনেদৰে স্তুতি কৰিছিল? ইয়াত ভক্ত আৰু ভগৱানৰ সম্পৰ্ক কিদৰে চিত্ৰিত হৈছে, লিখা। ৫+৫=১০

৬। 'পাৰিজাত হৰণ' নাটত হৰিবংশ আৰু 'ভাগৱত-পুৰাণ'ৰ কাহিনীৰ সংমিশ্ৰণ কেনেদৰে ঘটিছে, আলোচনা কৰা। ১০

*অথবা*

ৰুক্মিণী আৰু সত্যভামা চৰিত্ৰ দুটাৰ তুলনামূলক আলোচনা কৰা।

৭। হৰিশ্চন্দ্ৰ ৰজাই অশেষ কষ্ট ভোগ কৰি অৱশেষত কিদৰে স্বৰ্গলাভ কৰিলে 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ আধাৰত বৰ্ণনা কৰা। ১০

*অথবা*

'শিশুলীলা'ত কৃষ্ণৰ ঐশ্বৰিক ৰূপ কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

* * *